07-09-2020 **প্ৰাতঃমুৰলী** **ওঁম্ শান্তি** **"বাপদাদা"** **মধুবন।**

**"মৰমৰ সন্তানসকল – পিতা আহিছে তোমালোক পুৰণি ভক্তসকলক ভক্তিৰ ফল দিবলৈ। ভক্তিৰ ফল হৈছে জ্ঞান, যাৰ দ্বাৰা তোমালোকৰ সৎগতি হয়"**

প্ৰশ্ন: বহু সন্তানে আগবাঢ়ি গৈ থাকোতে ভাগ্যক নিজে গুলি মাৰি দিয়ে, কেনেকৈ?

উত্তৰ: যদি পিতাৰ হৈ সেৱা নকৰে, নিজৰ ওপৰত আৰু আনৰ ওপৰত দয়া নকৰে তেন্তে তেওঁ নিজৰ ভাগ্যক গুলি মাৰি দিয়ে অৰ্থাৎ পদ ভ্ৰষ্ট হৈ যায়। ভালদৰে পঢ়িলে, যোগত থাকিলে তেন্তে পদো ভাল প্ৰাপ্ত হয়। সেৱাধাৰী সন্তানসকলৰতো সেৱাৰ প্ৰতি বহুত চখ (ৰুচি) থাকিব লাগে।

গীত: কৌন আয়া সৱেৰে-সৱেৰে (কোন আহিল প্ৰভাতে প্ৰভাতে).........

**ওঁম্ শান্তি।** আত্মিক সন্তানসকলে বুজি পায় যে আমি আত্মা হওঁ, শৰীৰ নহয়। আৰু এই জ্ঞান এতিয়াহে প্ৰাপ্ত হয় - পৰমপিতা পৰমাত্মাৰ পৰা। পিতাই কয় - যিহেতু মই আহিছোঁ গতিকে তোমালোকে নিজকে আত্মা বুলি নিশ্চয় কৰা (দৃঢ় হোৱা)। আত্মাহে শৰীৰত প্ৰৱেশ কৰে। এটা শৰীৰ এৰি আন এটা লৈ থাকে। আত্মা সলনি নহয়, শৰীৰ সলনি হয়। আত্মাতো অবিনাশী হয়, গতিকে নিজকে আত্মা বুলি বুজিব লাগে। এই জ্ঞান কেতিয়াও কোনেও দিব নোৱাৰে। পিতা আহিছে সন্তানসকলৰ আহ্বানত। এয়াও কোনেও নাজানে যে এয়া পুৰুষোত্তম সংগমযুগ হয়। পিতা আহি বুজায় - মই আহিবলগীয়া হয় কল্পৰ পুৰুষোত্তম সংগমযুগত যেতিয়া গোটেই বিশ্ব পুৰুষোত্তম হয়। এই সময়ততো গোটেই বিশ্ব কনিষ্ঠ পতিত (নিম্নথাপৰ ও বিকাৰগ্ৰস্ত)। তাক কোৱা হয় অমৰপুৰী, এয়া হৈছে মৃত্যুলোক। মৃত্যুলোকত আসুৰিক গুণধাৰী মনুষ্য থাকে, অমৰলোকত দৈৱীগুণধাৰী মনুষ্য থাকে সেয়েহে তেওঁলোকক দেৱতা বুলি কোৱা হয়। ইয়াতো ভাল স্বভাৱৰ লোকসকলক কোৱা হয় - এওঁতো যেন দেৱতা হয়। কোনোবা দৈৱীগুণধাৰী হয়, এই সময়ত সকলো হৈছে আসুৰিক গুণধাৰী মনুষ্য। 5 বিকাৰত ফঁচি (আবদ্ধ হৈ) আছে সেয়েহে গায় এই দুখৰ পৰা আহি মুক্ত কৰা। কেৱল এগৰাকী সীতাক উদ্ধাৰ নকৰে। বাবাই বুজাইছে ভক্তিক সীতা বুলি কোৱা হয়, ভগৱানক ৰাম বুলি কোৱা হয় যিজনে ভক্তিৰ ফল দিবলৈ আহে। এই বেহদৰ ৰাৱণ ৰাজ্যত গোটেই সৃষ্টি ফঁচি (আবদ্ধ হৈ) আছে। তেওঁলোকক মুক্ত কৰি ৰামৰাজ্যলৈ লৈ যায়। ৰঘুপতি ৰাঘৱ ৰজা ৰামৰ কথা নহয়। তেওঁতো ত্ৰেতাৰ ৰজা আছিল। এতিয়াতো সকলো আত্মাই তমোপ্ৰধান জৰাজীৰ্ণ অৱস্থাত আছে, ছিৰি নামি নামি তললৈ আহি গৈছে। পূজ্যৰ পৰিৱৰ্তে পূজাৰী হৈ গৈছে। দেৱতাসকলে কাৰোৰে পূজা নকৰে। তেওঁলোক হৈছে পূজ্য। পুনৰ তেওঁলোক যেতিয়া বৈশ্য, শূদ্ৰ হয় তেতিয়া পূজা আৰম্ভ হয়, বাম মাৰ্গত অহাৰ কাৰণে পূজাৰী হয়, পূজাৰীসকলে দেৱতাসকলৰ চিত্ৰবোৰৰ আগত নমন (শিৰ নত) কৰে, এই সময়ত কোনো এজনো পূজ্য হ'ব নোৱাৰে। উষ্চতকৈও উষ্চ ভগৱান পূজ্য, তাৰপাচত সত্যযুগৰ দেৱতাসকল পূজ্য। এটা সময়ততো সকলো পূজাৰী, পোন-প্ৰথমে শিৱৰ পূজা হয়, সেয়া হৈছে অব্যভিচাৰী পূজা। তেওঁলোক সতোপ্ৰধান তাৰপাচত সতো তাৰপাচত দেৱতা সকলৰপৰাও নামি (অৱনমিত হৈ) জলৰ, মনুষ্যৰ, পক্ষী আদিৰ পূজা কৰিবলৈ লাগি যায়। দিন-প্ৰতিদিনে অনেকৰ পূজা হ'বলৈ ধৰে। আজিকালি ধৰ্মীয় সন্মিলনো বহুত হৈ থাকে। কেতিয়াবা আদি সনাতন ধৰ্মাৱলম্বীসকলৰ, কেতিয়াবা জৈন সকলৰ, কেতিয়াবা আৰ্য্য সমাজৰসকলৰ। বহুতকে নিমন্ত্ৰণ দিয়ে কিয়নো প্ৰত্যেকেই নিজৰ ধৰ্মক উষ্চ বুলি গণ্য কৰে নহয়। প্ৰত্যেক ধৰ্মত কিবা নহয় কিবা বিশেষ গুণ থকাৰ কাৰণে তেওঁলোকে নিজকে ডাঙৰ বুলি গণ্য কৰে। জৈনীসকলৰ ভিতৰতো ভিন্ন ভিন্ন ধৰণৰ আছে। 5-7 ধৰণৰ বিবিধতা হ'ব। তাৰ ভিতৰত কোনোবা নগ্ন হৈও থাকে, নগ্ন হোৱাৰ অৰ্থ বুজি নাপায়। ভগৱানুৱাচ (ভগৱানৰ বাণী) হৈছে নগ্ন অৰ্থাৎ অশৰীৰী হৈ আহিছিলা, পুনৰ অশৰীৰী হৈ যাব লাগিব। তেওঁলোকে আকৌ কাপোৰ সোলকাই নগ্ন হৈ পৰে। ভগৱানুৱাচৰ (ভগৱানৰ বাণীৰ) অৰ্থক বুজি নাপায়। পিতাই কয় - তোমালোক আত্মাসকলে ইয়ালৈ এই শৰীৰ ধাৰণ কৰি ভূমিকা পালন কৰিবলৈ আহিছা, পুনৰ উভতি যাব লাগিব, এই কথাসমূহক তোমালোক সন্তানসকলে বুজি পোৱা। আত্মাহে ভূমিকা পালন কৰিবলৈ আহে, বৃক্ষ বৃদ্ধি প্ৰাপ্ত হৈ গৈ থাকে। নতুন নতুন প্ৰকাৰৰ ধৰ্ম উৎপত্তি হৈ থাকে, সেয়েহে ইয়াক বিভিন্নতাৰ নাটক বুলি কোৱা হয়। বিভিন্ন ধৰ্মৰ বৃক্ষ হয়। ইছলামীসকলক চোৱা কিমান ক'লা। তেওঁলোকৰো বহুত শাখা ওলায়। মহম্মদতো পাচত আহিছে। প্ৰথম হৈছে ইছলামী। মুছলমানসকলৰ সংখ্যা বহুত, আফ্ৰিকাত কিমান চহকীলোক আছে সোণ-হীৰাৰ খনি আছে। য'ত (যাৰ তাত) বহুত ধন দেখে তেতিয়া তেওঁলোকৰ ওপৰত আক্ৰমণ কৰি ধনৱান হৈ যায়। খ্ৰীষ্টধৰ্মৰ লোকসকলো কিমান ধনৱান হৈ পৰিছে। ভাৰততো ধন আছে, কিন্তু গুপ্ত। সোণ আদি কিমান ধৰি থাকে। এতিয়া দিগম্বৰ জৈন সভাৰ লোকসকলে সন্মিলন আদি কৰি থাকে, কিয়নো প্ৰত্যেকেই নিজকে ডাঙৰ বুলি গণ্য কৰে নহয় জানো। এই ইমানবোৰ ধৰ্ম সকলো বাঢ়ি গৈ থাকে,

কেতিয়াবা বিনাশো হ'ব, একোৱেই বুজি নাপায়। সকলো ধৰ্মৰ ভিতৰত উচ্চতো তোমালোকৰ ব্ৰাহ্মণ ধৰ্মহি হয়, যাৰ বিষয়ে কোনেও গম নাপায়। কলিযুগী ব্ৰাহ্মণো বহুত আছে, কিন্তু তেওঁলোক হৈছে কোষ বংশাৱলী ব্ৰাহ্মণ। প্ৰজাপিতা ব্ৰহ্মাৰ মুখ বংশাৱলী ব্ৰাহ্মণ, তেওঁলোকতো সকলো ভাই-ভনী হ'ব লাগে। যদি তেওঁলোকে নিজকে ব্ৰহ্মাৰ সন্তান বুলি কয় তেন্তে ভাই-ভনীয়েই হ'ল তেতিয়া আকৌ বিবাহো কৰিব নোৱাৰে। সিদ্ধ হয় যে তেওঁলোক ব্ৰাহ্মণসকল ব্ৰহ্মাৰ মুখ বংশাৱলী নহয়, কেৱল নাম ৰাখি দিয়ে। বাস্তৱত দেৱতা সকলতকৈও উচ্চ ব্ৰাহ্মণসকলক কোৱা হ'ব, টিকনি (উচ্চ) হয় নহয় জানো। এই ব্ৰাহ্মণেই মনুষ্যক দেৱতা কৰি গঢ়ি তোলে। পঢ়াওঁতাজন হৈছে পৰমপিতা পৰমাত্মা, স্বয়ং জ্ঞানৰ সাগৰ। এইটো কোনেও গম নাপায়। পিতাৰ ওচৰলৈ আহি ব্ৰাহ্মণ হোৱাৰ পাচতো কালিলৈ শূদ্ৰ হৈ পৰে। পুৰণি সংস্কাৰ সলনি হ'বলৈ বহুত পৰিশ্ৰমৰ প্ৰয়োজন। নিজকে আত্মা বুলি নিশ্চয় কৰি (দৃঢ় হৈ) পিতাৰ পৰা উত্তৰাধিকাৰ ল'ব লাগে, আত্মিক পিতাৰ পৰা আত্মিক সন্তানসকলেহে উত্তৰাধিকাৰ ল'ব। পিতাক স্মৰণ কৰাতেই মায়াই বিঘিনি আনে। পিতাই কয় হাতেৰে কৰ্ম কৰিও অন্তৰেৰে পিতাক স্মৰণ কৰা। এয়া হৈছে বহুত সহজ। যেনেকৈ প্ৰেমিক-প্ৰেমিকা ক্ষেত্ৰত ইজনে-সিজনক নেদেখিলে থাকিব নোৱাৰে। বাবাতো প্ৰেমিক হয়েই। প্ৰেমিকা সকলো সন্তানেই হয় যিসকলে পিতাক স্মৰণ কৰি থাকে। এজন পিতাই আছে যিজনে কেতিয়াও কাৰো প্ৰতি আসক্ত নহয় কিয়নো তেওঁতকৈ উচ্চতো কোনো নায়েই। বাকী তেওঁ সন্তানসকলৰ মহিমা কৰে, তোমালোকে ভক্তি মাৰ্গৰ পৰা আৰম্ভ কৰি মোৰ (প্ৰেমিকৰ) সকলো প্ৰেমিকা হোৱা। আহ্বানো কৰা যে আহি দুখৰ পৰা মুক্ত কৰি পাৱন (পবিত্ৰ) কৰি তোলা। তোমালোক সকলো হৈছা কইনা, মই হৈছো দৰা। তোমালোক সকলো আসুৰিক কাৰাগাৰত ফঁচি (আবদ্ধ হৈ) আছা, মই আহি মুক্ত কৰোঁ। ইয়াৰ বাবে বহুত পৰিশ্ৰম হয় আসুৰিক (বিকাৰী) দৃষ্টিয়ে ঠগে (প্ৰবঞ্চনা কৰে), নৈতিক (নিৰ্বিকাৰী) দৃষ্টি গঢ়ি তুলিবলৈ পৰিশ্ৰম কৰিবলগীয়া হয়। দেৱতাসকলৰ কিমান ভাল চৰিত্ৰ, এতিয়া এনেকুৱা দেৱতা কৰি গঢ়ি তোলোঁতাজন নিশ্চয় লাগিব নহয় জানো।

সন্মিলনত বিষয়বস্তু ৰাখিছে - "মানৱ জীৱনত ধৰ্মৰ আৱশ্যকতা"। নাটকক নজনাৰ কাৰণে বিবুদ্ধিত পৰি আছে। তোমালোকৰ অবিহনে কোনেও বুজাব নোৱাৰে। খ্ৰীষ্টান অথবা বৌদ্ধ আদি সকলে এইটো জানো গম পায় যে যীশু, বুদ্ধ আদি পুনৰ কেতিয়া আহিব! তোমালোকে তৎক্ষণাৎ হিচাপ-নিকাচ দেখুৱাই দিব পাৰা। গতিকে বুজাব লাগে ধৰ্মৰ আৱশ্যকতাতো আছে নহয় জানো। প্ৰথম প্ৰথম কোনটো ধৰ্ম আছিল, তাৰপাচত কোনবোৰ ধৰ্ম আহিল! নিজৰ ধৰ্মৰ লোকসকলেও পুৰা বুজি নাপায়। যোগসূত্ৰ নগঢ়ে। যোগ অবিহনে শক্তি প্ৰাপ্ত নহয়, ধাৰ (স্মৃতিৰ ধাৰ) নাথাকে। পিতাকেই সৰ্বশক্তিমান অধিকাৰী (হৰ্তা-কৰ্তা) বুলি কোৱা হয়। তোমালোক কিমান সৰ্বশক্তিমান হোৱা, বিশ্বৰ মালিক হৈ যোৱা। তোমালোকৰ ৰাজ্যক কোনেও কাঢ়ি নিব নোৱাৰে। সেই সময়ত আৰু কোনো খণ্ড নাথাকে। এতিয়াতো কিমান খণ্ড আছে। এই সৃষ্টি চক্ৰ কেনেকৈ ঘূৰে। 5 হাজাৰ বছৰৰ এই চক্ৰ হয়, বাকী সৃষ্টি কিমান দীঘলীয়া। সেয়া জানো জুখিব পৰা যায়। ধৰণী বুলি হয়তো জুখিব পাৰে। সাগৰকতো জুখিব নোৱাৰে। আকাশ আৰু সাগৰৰ অন্ত কোনেও পাব নোৱাৰে। গতিকে বুজাব লাগে - ধৰ্মৰ আৱশ্যকতা কিয় হয়! গোটেই চক্ৰ গঢ়ি উঠিছেই ধৰ্মসমূহৰ ওপৰত। এয়া হৈছেই বিভিন্ন ধৰ্মৰ বৃক্ষ, এই বৃক্ষ হৈছে অন্ধজনৰ আগত আইনা।

তোমালোক এতিয়া বাহিৰলৈ সেৱাৰ বাবে ওলাইছা, লাহে লাহে তোমালোকৰ বৃদ্ধি হৈ গৈ থাকে। ধুমুহাৰ কোবাল প্ৰহাৰত বহুত পাত সৰিও পৰে নহয় জানো। অন্য ধৰ্মত ধুমুহাৰ প্ৰহাৰৰ কথা নাথাকে। তেওঁলোকেতো ওপৰৰ পৰা আহিবই লাগিব, ইয়াত তোমালোকৰ স্থাপনা বহুত আশ্চৰ্যজনক। প্ৰথম প্ৰথম যিসকল ভক্ত আছে তেওঁলোককহে আহি ভগৱানে নিজৰ ঘৰলৈ লৈ যোৱাৰ ফল দিবলগীয়া হয়। আহ্বানো কৰে আমাক আত্মাসকলক নিজৰ ঘৰলৈ লৈ ব'লা। এইটো কোনেও নাজানে যে পিতাই স্বৰ্গৰো ৰাজ্য-ভাগ্য দিয়ে। সন্ন্যাসী লোকসকলেতো সুখক নামানেই। তেওঁলোকে বিচাৰে মোক্ষ প্ৰাপ্ত হওঁক। মোক্ষক উত্তৰাধিকাৰ বুলি কোৱা নহয়। শিৱবাবাই নিজেও ভূমিকা পালন কৰিবলগীয়া হয় তেন্তে আকৌ কাৰোবাক মোক্ষত কেনেকৈ ৰাখিব পাৰে। তোমালোক ব্ৰহ্মাকুমাৰ-কুমাৰীসকলে নিজৰ ধৰ্মক আৰু সকলোৰে ধৰ্মক জানা। তোমালোকৰ দয়া উপজিব লাগে। চক্ৰৰ ৰহস্য বুজাব লাগে। কোৱা, তোমালোকৰ ধৰ্মৰ প্ৰতিষ্ঠাপক পুনৰ নিজৰ সময়ত আহিব। বুজাওঁতাজনো বুদ্ধিমান হ'ব লাগে। তোমালোকে বুজাব পাৰা যে প্ৰত্যেকেই সতোপ্ৰধানৰ পৰা সতো-ৰজো-তমোত আহিবই লাগিব। এতিয়া হৈছে ৰাৱণ ৰাজ্য। তোমালোকৰ হৈছে সত্য গীতা, যি পিতাই শুনায়। ভগৱান বুলি নিৰাকাৰজনকে কোৱা হয়। আত্মাই নিৰাকাৰ ভগৱান পিতাক আহ্বান কৰে। তাত তোমালোক আত্মাসকল থাকা। তোমালোকক জানো পৰমাত্মা বুলি ক'ব। পৰমাত্মাতো এজনেই উচ্চতকৈও উচ্চ ভগৱান, তাৰপাচত সকলো আত্মা সন্তানসকল। সকলোৰে সংগতি দাতা এজন তাৰপাচত হৈছে দেৱতাসকল। তেওঁলোকৰ ভিতৰতো এক নম্বৰ হৈছে কৃষ্ণ কিয়নো আত্মা আৰু শৰীৰ দুয়োটাই পবিত্ৰ। তোমালোক হৈছা সংগমযুগী। তোমালোকৰ জীৱন অমূল্য হয়। দেৱতাসকলৰ নহয়, ব্ৰাহ্মণসকলৰ জীৱন অমূল্য। পিতাই তোমালোকক নিজৰ সন্তান কৰি পাচত তোমালোকৰ বাবে কিমান পৰিশ্ৰম

কৰে, দেৱতাসকলে জানো ইমান পৰিশ্ৰম কৰিব। তেওঁলোকে পঢ়াবৰ কাৰণে সন্তানসকলক বিদ্যালয়লৈ পঠিয়াই দিব। ইয়াত পিতাই বহি তোমালোকক পঢ়ায়। তেওঁ পিতা শিক্ষক গুৰু তিনিও হয়। গতিকে কিমান সন্মান ৰাখিব লাগে। সেৱাধাৰী সন্তানসকলৰ সেৱাৰ প্ৰতি বহুত আগ্ৰহ থাকিব লাগে। বহুত কম আছে যিসকল ভাল বুদ্ধিদীপ্ত হয় গতিকে সেৱাত লাগি আছে। সেৱাধাৰীতো লাগে নহয় জানো। যুদ্ধক্ষেত্ৰলৈ যাবলৈ যাক শিকায় তেওঁক চাকৰি আদি সকলোৰেপৰা মুক্ত কৰি দিয়ে। তেওঁলোকৰ ওচৰত তালিকা থাকে। আকৌ সামৰিক বাহিনীক কোনেও প্ৰত্যাখ্যান কৰিব নোৱাৰে যে আমি যুদ্ধক্ষেত্ৰলৈ নাযাওঁ। যুদ্ধৰ অভ্যাস কৰায় এই বুলি যে আৱশ্যক হ'লে মাতিম। বাধা দিয়াজনৰ ওপৰত মোকৰ্দমা চলায়। ইয়াততো সেইবোৰ কথা নাই। ইয়াত আকৌ যদি ভালদৰে সেৱা নকৰে তেন্তে পদ ভ্ৰষ্ট হৈ যায়। সেৱা নকৰে তাৰমানে নিজক নিজে গুলি কৰি দিয়ে। পদ ভ্ৰষ্ট হৈ যায়। নিজৰ ভাগ্যক গুলি কৰি দিয়ে। ভালদৰে পঢ়িলে, যোগযুক্ত হৈ থাকিলে তেন্তে ভাল পদ প্ৰাপ্ত হ'ব। নিজৰ ওপৰত দয়া কৰিব লাগে। নিজৰ ওপৰত কৰিলে তেন্তে অন্যৰ ওপৰতো কৰে। পিতাই প্ৰত্যেক ধৰণৰ বুজনি দি থাকে। এই সৃষ্টিৰ নাটক কেনেকৈ চলে, গতিকে ৰাজধানীও স্থাপন হয়। এই কথাবোৰ জগতে নাজানে। এতিয়া নিমন্ত্ৰণতো পোৱা যায়। 5-10 মিনিটত কি বুজাব পৰা যায়। এক-দুই ঘন্টা দিয়ে যদি বুজাবও পৰা যায়। নাটককতো একেবাৰে নাজানে। ভাল ভাল বিষয়সমূহ য'ত-ত'ত লিখি দিব লাগে। কিন্তু সন্তানসকলে পাহৰি যায়। পিতা সৃষ্টিকৰ্তাও হয়, তোমালোক সন্তানসকলক সৃষ্টি (ৰচনা) কৰে। নিজৰ কৰি লৈছে, নিৰ্দেশক হৈ নিৰ্দেশনাও দিয়ে। শ্ৰীমত দিয়ে আকৌ পুনৰ ভূমিকাও পালন কৰে। জ্ঞান শুনায়। এয়াও তেওঁৰ উচ্চতকৈও উচ্চ ভূমিকা হয় নহয় জানো। নাটকৰ সৃষ্টিকৰ্তা, নিৰ্দেশক আৰু মুখ্য ভাৱৰীয়াক যদি নাজানা তেন্তে কি হ'লা? ভালবাৰু!

অতি মৰমৰ, কল্পৰ পাচত পুনৰাই লগ পোৱা সন্তানসকলৰ প্ৰতি মাতা-পিতা বাপদাদাৰ স্নেহপূৰ্ণ স্মৰণ আৰু সুপ্ৰভাত। আত্মিক পিতাৰ আত্মিক সন্তানসকলক নমস্কাৰ।

***ধাৰণাৰ বাবে মুখ্য সাৰ:-****

(1) এই অমূল্য জীৱনত পঢ়াওঁতা শিক্ষকৰ প্ৰতি বহুত বহুত সন্মান ৰাখিব লাগে, পঢ়াত ভালদৰে আগৰণুৱা হৈ সেৱাত লাগিব লাগে। নিজৰ ওপৰত নিজেই দয়া কৰিব লাগে।

(2) নিজক নিজে শুধৰাবৰ কাৰণে সংস্কাৰী হ'ব লাগে। নিজৰ চৰিত্ৰ শুধৰাব লাগে। মনুষ্যক দেৱতা ৰূপে গঢ়ি তোলাৰ সেৱা কৰিব লাগে।

**বৰদান:** সংকল্প আৰু বচনৰ (বাণীৰ) বিস্তাৰক সাৰ ৰূপলৈ আনোঁতা অন্তৰ্মুখী হোৱা

ব্যৰ্থ সংকল্পবোৰৰ বিস্তাৰক সামৰি সাৰ ৰূপত স্থিত হোৱা তথা মুখৰ শব্দৰ ব্যৰ্থক সামৰি সমৰ্থ অৰ্থাৎ সাৰ ৰূপলৈ লৈ অনা - এয়াই হৈছে অন্তৰ্মুখতা। এনেকুৱা অন্তৰ্মুখী সন্তানসকলেহে মৌনতাৰ (শান্তিৰ) শক্তিৰ দ্বাৰা পথভ্ৰষ্ট আত্মাসকলক সঠিক ঠিকনা দেখুৱাব পাৰে। এই মৌনতাৰ (শান্তিৰ) শক্তিয়ে অনেক আত্মিক ৰঙীন খেল দেখুৱায়। মৌনতাৰ (শান্তিৰ) শক্তিৰে প্ৰত্যেক আত্মাৰ মনৰ কথা ইমান সমীপত শুনা যায় যেন কোনোবাই সন্মুখত কৈ আছে।

**শ্লোগান:** স্বভাৱ, সংস্কাৰ, সম্বন্ধ, সম্পৰ্কত পাতল (অনাসক্ত, বোজা মুক্ত) হৈ থকা অৰ্থাৎ ফৰিস্তা হোৱা।

!! ওঁম্ শান্তি !!